
হাতীগড় জু-নাৰেঙ্গী পথ সাৰ্ব্বজনীন দুৰ্গাপূজা

ৰাজহুৱা মুকলি পথাৰ, হেমবৰুৱা পথ, হাতীগড়, গুৱাহাটী-৭৮১০২৪

# মঙ্গলময়ী

চতুৰ্থ সংখ্যা

২৭ সংখ্যক বছৰ, ২০১৬ চন, ১৪২৩ ভাস্কৰাব্দ



সম্পাদক

**বিপিন চন্দ্ৰ দাস**

মুখ্য সম্পাদক

**শৰৎ ৰাজখোৱা**

# মঙ্গলময়ী

২৭ সংখ্যক বছৰ
চতুৰ্থ সংখ্যা ২০১৬ চন

হাতীগড় জুনাৰেঙ্গী সাৰ্বজনীন দুৰ্গাপূজা সমিতি

# মঙ্গলময়ী

৪ৰ্থ সংখ্যা, ২০১৬ খ্ৰীঃ
১৯৩৫ শক

হাতীগড় জু-নাৰেঙ্গী সাৰ্বজনীন
দুৰ্গাপূজা সমিতিৰ মুখপত্ৰ

মুখ্য সম্পাদক

শৰৎ ৰাজখোৱা

সম্পাদক

বিপিন চন্দ্ৰ দাস

প্ৰকাশক

হাতীগড় জু-নাৰেঙ্গী সাৰ্বজনীন
দুৰ্গাপূজা সমিতি

প্ৰকাশ
০৭ অক্টোবৰ, ২০১৬ ইং

অৰিহনা
৫০.০০ (পঞ্চাছ টকা) মাত্ৰ

বেটুপাত

ৰূপম লহকৰ, ডেষ্টিনী

মুদ্ৰক
ডেষ্টিনী
ৰাজগড় ৰোড, ১১ উপপথ,
হাউছ নং-২১৮, গুৱাহাটী-৩

## সূচীপত্ৰ

■ মহিমাময়ী দেৱী শ্ৰীশ্ৰীদুৰ্গা পূজাৰ জনপ্ৰিয়তা আৰু প্ৰাসঙ্গিকতা
✍ ড° কথিতা হাতীবৰুৱা/১০
■ মাতৃ প্ৰাধান্য, দেৱীসূক্ত আৰু কল্যাণী
✍ ড° সাবিত্ৰী শইকীয়া/১৫
■ শিৱ
✍ উত্তম শৰ্মা/২৩
■ আমাৰ পূজাৰ দিনলিপি
✍ কমল মেধি/২৭
■ পৌৰাণিক শাস্ত্ৰত বৰ্ণিত কেইগৰাকীমান দেৱী
✍ শৰৎ ৰাজখোৱা/৩০
■ শক্তিৰ প্ৰতীক দেৱী দুৰ্গা
✍ অনুপমা ভাগৱতী/৩৪
■ ৰাম অৱতাৰ আৰু সাৱিত্ৰী
✍ ডাঃ গকুল বৰা/৩৭
■ পূজাৰ বতৰত মনলৈ অহা অন্য এক চিন্তা
✍ কমল মেধি/৪০
■ পূজা ঃ এটি অনুভৱ
✍ গজেন ডেকা/৪১
■ কবিতা শিতান/৪২-৪৪
✍ প্ৰহ্লাদ শংকৰ ভাগৱতী, অনিমেশ শৰ্মা
কল্যাণ কলিতা, সুৰেন ভাগৱতী
শ্ৰীবন্দনা কলিতা, প্ৰণামী ভৰালী
■ মনৰ খবৰ বিচাৰি
✍ মৃন্ময় ডেকা/৪৫
■ আমাৰ দিনৰ দুৰ্গা পূজা
✍ সবিতা শৰ্মা/৪৯
■ মধুমেহ (ডায়েবেটিচ) ৰোগ ...
✍ ডাঃ শশধৰ শৰ্মা/৫১
■ আইতাৰ দিহা/৫৫
■ সৌন্দৰ্য চৰ্চা
✍ দীপিকা ৰাজখোৱা/৫৭
■ চিৰিক্ চিৰিক্ ভূত
✍ ডাঃ শিৱ গগৈ/৬১
■ আহিনৰ সন্ধিয়াত...
✍ প্ৰণীতা মেধি/৬৪
■ Durga the Symbol of Women...
✍ Mayuri Barooah/৬৬
■ Ripples of the past
✍ Miss Noiranjana Kashyap/৬৯

সিদ্ধাৰ্থ ভট্টাচাৰ্য্য

*Siddhartha Bhattacharya*

কাৰ্য্যালয়
৫৩ পূৰ্ব গুৱাহাটী সমষ্টিৰ বিধায়ক
জি. এচ. ৰোড, উলুবাৰী, গুৱাহাটী- ৭৮১০০৭

OFFICE OF
53 EAST GUWAHATI LAC MLA
G.S. Road, Ulubari, Guwahati-781007


Ref.:.....................

Date :.....................



## শুভেচ্ছাবাণী . .

বিগত কেইবছৰৰ দৰে এই বেলিও হাতীগড় জু- নাৰেঙ্গী পথ সাৰ্বজনীন দুৰ্গা পূজা সমিতিয়ে এই পূজাৰ ২৭ তম বৰ্ষৰ লগত সংগতি ৰাখি "মঙ্গল ময়ী" নামেৰে এখনি আলোচনী প্ৰকাশ কৰাৰ সিদ্ধান্তত মই আনন্দিত হৈছো।

এই বিশেষ আলোচনী খন যাতে পাঠকৰ মনোগ্ৰাহী, গ্ৰহনযোগ্য, আৰু আকৰ্ষক হয় মই তাৰেই কামনা কৰিলো।

তথা হাতীগড় জু- নাৰেঙ্গী পথ সাৰ্বজনীন দুৰ্গা পূজা সমিতিৰ মাধ্যমেৰে অঞ্চলৰ ৰাইজলৈ শাৰদীয় দুৰ্গা পূজাৰ হিয়া ভৰা ওলগ জনালো।

সিদ্ধাৰ্থ ভট্টাচাৰ্য

সিদ্ধাৰ্থ ভট্টাচাৰ্য
বিধায়ক
৫৩ নং পূব গুৱাহাটী সমষ্টি, গুৱাহাটী

# মাতৃপ্ৰাধান্য, দেৱীসূক্ত আৰু কল্যাণী

ড০ সাবিত্ৰী শইকীয়া

প্ৰাক-বৈদিক সিন্ধুসভ্যতা আদি সাম্যবাদী ব্যৱস্থাৰ বাবেই ই মাতৃপ্ৰধান। ঋকবৈদিক যুগ পশুপালনৰ যুগ। কৃষিজীৱি সভ্যতাৰ পত্তন মাত্ৰ বৈদিক সমাজ-ব্যৱস্থা পিতৃতান্ত্ৰিক যদিও আদি সাম্যবাদী সমাজ-ব্যৱস্থাৰ বহল উপাদান বৰ্ত্তিত বাবেই এই যুগত নাৰীৰ স্থান আদৰণীয় আৰু কিছু উন্নত আছিল।সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদৰ সু-সংগঠনত বৈদিক সাহিত্য খৃঃপূঃ প্ৰায় দ্বাদশ বা পঞ্চদশ শতিকাৰ পৰা খৃঃপূঃ প্ৰায় অষ্টম শতিকালৈ ৰচিত। এই সম্পৰ্কত 'মেকডনেলে কয যে ,'ঋকবেদৰ প্ৰাচীন আৰু অৰ্বাচীন অংশৰ মাজত ৰচনাকালৰ ব্যৱধান অনেক শতাব্দী বুলি স্বীকৃত'।১ সৰ্বপ্ৰাচীন ঋকসংহিতাকে ধৰি সংহিতা, যজুসংহিতা আৰু অথৰ্বসংহিতা চাৰিখন। ঋকবেদত মুঠ ১০২৮টা গান বা কবিতা বা সূক্ত আছে। সূক্তৰ অন্তৰ্গত প্ৰতিটো স্তৱকেই ঋক। ঋগ্বেদত মুঠ ১০,৪৬২টা ঋক আছে। এই সন্দৰ্ভত চট্টোপধ্যায়ে কয়, 'সমগ্ৰ ঋগ্বেদ দহোটি ভাগ বা মণ্ডলত বিভক্ত, দ্বিতীয়ৰপৰা সপ্তম মণ্ডল প্ৰাচীন, প্ৰথম আৰু অষ্টম মণ্ডল অপেক্ষাকৃত পৰৱৰ্তী, দশম, মণ্ডল . সকলোতকৈ অৰ্বাচীন বুলি বিবেচিত" ।৩২

নাৰীয়ে ঋকবৈদিক যুগত সন্মানীয়া; পূজিতা নহ'লেও বহুক্ষেত্ৰত অৱনমিতও নাছিল তাৰ উদাহৰণ অজস্ৰ ৰূপকৰ মাজত এনেদৰে পোৱা যায়।

ঋগ্বেদত প্ৰকৃততে দেৱতাৰ অৰ্থ পৃথিবী বা অন্তৰীক্ষ বা দ্যুলোকৰ অৰ্থাৎ সকলো প্ৰাকৃতিক বিষয় যাৰ মাজত শক্তিৰ প্ৰকাশ দেখি ঋষিসকলে তেওঁলোকৰ ওপৰত দেৱত্ব আৰোপ কৰিছিল। পাৰ্থিৱ সম্পদৰ কামনা অন্ন,

গৰু, স্বাস্থ্য, সন্তান, নিৰাপত্তা আদিয়ে বৈদিক কাৰ্যৰ পুৰুষাৰ্থ আৰু এই কামনাৰ অভিব্যক্তি বিভিন্ন দেৱতাৰ উদ্দেশ্যে ৰচিত। ১।৩৪।১১ ঋকত মুঠ ৩৩ গৰাকী দেৱতাৰ উল্লেখ আছে। ৩।৯।৯ ঋকত ৩৩৩৯ গৰাকী দেৱতাৰ উল্লেখ আছে। ১০।১৫৮।১ ঋকত তিনিজন স্বৰ্গৰ দেৱতা যেনে সূৰ্য, আকাশৰ দেৱতা বায়ু, পৃথিবীৰ দেৱতা অগ্নিক স্তুতি কৰা পোৱা যায়।আকৌ ঋকবেদত দেৱীসকলৰ নাম প্ৰধানকৈ পোৱা যায় ইন্দ্ৰানী, বৰুনানী, ৰুদ্ৰাণী, যমী— এনেদৰে দেৱতাৰ ঘৈণী বা ভগ্নী হিচাপেহে। অদিতি, উষা, সৰস্বতী, ৰাত্ৰি, পৃথিবী আদি দুই চাৰি গৰাকী দেৱীৰ নাম স্বাধীনচিতিয়া ভাবে পোৱা যায়। কিন্তু সামগ্ৰিকভাবে দেৱতাৰ তুলনাত দেৱীৰ উল্লেখ ঋগ্বেদত বিৰল। ঋগ্বেদৰ এটা সূক্তৰ (১০।১।২৫) নাম হ'ল দেৱীসূক্ত য'ত শক্তিৰূপিনী দেৱীৰ নাম বিশ্বৰ নিয়ন্ত্ৰণকাৰিণী বুলি কোৱা হৈছে। কিন্তু এই সূক্তটো পৰৱৰ্তী কালত ৰচিত।দেৱীৰ ভিতৰত উষাৰ উল্লেখে সৰ্বাধিক। কিন্তু মেগডনেলৰ তালিকাত এওঁ তৃতীয় শ্ৰেণীতহে পৰিছে আৰু সকলো সময়তে তেওঁ সমাদৃত হৈছে তেনেও নহয়। ইন্দ্ৰৰদ্বাৰা তেওঁ ধৰ্ষিতা হোৱাৰ কথা, তেওঁৰ ৰথ ভাঙি পেলোৱাৰ কথা আৰু প্ৰাণৰ ভয়ত বিপাশা নদীৰ পশ্চিমলৈ তেও যোৱাৰ কথা ঋগ্বেদৰ, কোনো ঋক্‌ত (৪।৩।৮।১০, ২।১৫।৬, ১০, ৩।৬, ৩।৮।৫) পোৱা যায়। আকৌ প্ৰথম মণ্ডলৰ ৯২ সূক্তত উষা আৰু অশ্চিদয় দেৱতা সূক্তত সূৰ্য অহাৰ আগেয়ে বাট প্ৰশস্ত কৰে (২।৫), স্বৰ্গ দুহিতা ঊষা অন্ধকাৰ বিনাশকাৰী, সমূহ প্ৰাণীকে জাগৰিত কৰে (৬), নিশা বা ৰাত্ৰিৰ ভগিনী, সূৰ্যৰ স্ত্ৰী (১১), অন্নযুক্তা, ধনযুক্তা (১৩) ইত্যাদি। আকৌ প্ৰথম মণ্ডলৰ১১৩ সূক্তত চেতনাদায়িনী (৮), কল্যানৱতী (১২), অৰুণ অশ্বযুক্ত ৰথ আৰোহণকাৰী (১৪), সূৰ্য অহাৰ বাট কাটি দিওতা (১৬), দেৱতাৰ মাতৃ অদিতিৰ সতিনী (১৯) আদি ৰূপত ঊষাৰ বৰ্ণনা পোৱা যায়। ঋক্‌ত আশীবাৰ উচ্চাৰিত দেৱলোকৰ মাতা অদিতি স্বয়ংসম্পূৰ্ণা দেৱী ।

আন এগৰাকী দেৱী আকাশৰে কনিষ্ঠা দুহিতা ৰাত্ৰি কৃষ্ণৱৰ্ণা আৰু উষা শুভ্ৰবৰ্ণা (১।১১৩।২)। উভয়ে পৰস্পৰৰ ভগ্নীৰূপে কল্পিত। তেওঁলোকৰ মাজত কোনো বিৰোধ নাই। কোনেও কাৰো পথত অন্তৰায় নহয়। দুয়োয়ে দুয়োৰে বাবে বাট এৰি দিয়ে। 'তেওঁলোকে এটি পথৰ পিছত অন্য এটি পথত বিচৰণ কৰে (১।১২৪।৮)। উষাৰাত্ৰিৰ জেষ্ঠা ভগ্নী। উষাৰ আগমনত যিদৰে নানা জীৱ সাৰ পায় ৰাত্ৰিৰ আগমনত সকলোৱে নিদ্ৰা যায় । ৰাত্ৰিদেৱী উষাৰ প্ৰতিস্পৰ্ধিনী ৰূপেও পোৱা যায় (১।১১৩।১৯)।

পৃথিবীও দেৱীৰূপে পূজিতা।

আকৌ অপঃ বা জলক মাতৃৰূপে স্তুতি কৰে 'জলগণ আমাৰ জননী'১০।১৭।১০)। ই আমাক শোধন কৰক, পাপ ধুই পেলাওক।

...যি জল আমাৰ গৰুবোৰে পান কৰে সেই জলদেৱীক আহ্বান কৰো, যি পানী নদীৰূপে বৈ গৈছে তেওঁক হোমপূজা কৰা কৰ্ত্তব্য (১।২৩।১৬-২)। সেয়ে পানী বা জলবাচক নদী দেৱীৰূপে পূজিতা। সৰস্বতী দেৱী সেই অৰ্থত পূজিতা। কিন্তু 'এইটো মনত ৰখা প্ৰয়োজন, বৈদিক দেৱতা সকল মূলতঃ পুৰুষ প্ৰধান, সেয়ে দেৱী আৰু জননী ৰূপ পৰিকল্পিত। ই জলপুৰুষ দেৱতাৰেই আজ্ঞাধীন। কৃষিপ্ৰধান জীৱিকা নোহোৱা, কৃষি বা শষ্যৰ লগত সম্পৰ্কিত স্ত্ৰী-কেন্দ্ৰিক আচাৰ-অনুষ্ঠানো ঋক্‌বৈদিক আৰ্যৰ নাছিল। 'আৰ্যসংস্কৃতিত যৌনতাৰ গোন্ধ থকা মেজিক বিৰল আৰু মাতৃ-পূজাৰ অভাৱ। অৱশ্যে 'দেৱীসুক্ত'ত 'শক্তিৰূপিনী দেৱীক বিশ্বৰ নিয়ন্ত্ৰণ কাৰিণী বুলি বৰ্ণনা কৰা হৈছে (১০।১২৫)।

পুৰুষৰ দৰে নাৰীৰো একাধিক সংস্কাৰ ব্যৱস্থা আছিল। উপনয়ন আৰু সমাৱৰ্ত্তন অনুষ্ঠান বিদুষী নাৰীৰ ক্ষেত্ৰত অনুষ্ঠিতহৈছিল। নাৰী ঋষিৰ নামোল্লেখেই নাৰী শিক্ষিতা আৰু বিদুষী হোৱাৰ উদাহৰণ। ঋষি অগস্তৰ পত্নী লোপা মুদ্ৰা (১।১৭৯),, ঋষি অত্ৰিকন্যা বিশ্ববাৰা (৫।২৮), ঋষি অত্ৰিকন্যা অপালা (৮।৯১) , ঋষি কক্ষিব্যৎ কন্যা ঘোষা(১০।৩৯,৪০), ঋষি সাবিত্ৰী সূৰ্যা (১০।৮৫), ঋষি অম্ভৃন কন্যা বাক (১০।১২৫), ঋষি ইন্দ্ৰানী (১০।১৪৫) ইত্যাদি। এওঁলোকৰ ভিতৰত সূৰ্যা বিবাহ সূক্ত আৰু বাক আত্মাসূক্তৰ। ইয়াক বৈদিক দেৱীসুক্তও বুলিব পাৰি।নাৰীৰ ৰাজনৈতিক অধিকাৰ ঋগ্বৈদিক যুগত নাছিল।

'নাৰীয়ে সভাত নাযায়, কিয়নো ৰাজনৈতিক ক্ৰিয়াকৰ্মৰ ক্ষেত্ৰত তেওঁলোকৰ নিশ্চয় কোনো অধিকাৰ নাছিল।৩ সভা ৰাজনৈতিক কৰ্ম সম্পাদনৰ ক্ষেত্ৰ বুলি ঋকত পৰিচয় আছে যদিও পৰৱৰ্তী সংহিতাত নাৰীৰ সভা প্ৰবেশৰ অধিকাৰ নাছিল, ঋক্‌সংহিতাত আছে যিদৰে সভাত থকা নাৰীয়ে সভাৰ উপযোগী বাক্য প্ৰয়োগ কৰে (১/১৬৭/৩)।৪

সামাজিক নিয়ম-কানুন, ৰীতি-নীতিত নাৰীৰ স্থিতি-অস্থিতি, বিধবা বিবাহৰ অধিকাৰ , অবিবাহিতা কন্যাৰ অধিকাৰ,স্বামী নিৰ্বাচনৰ অধিকাৰ,যুদ্ধক্ষেত্ৰত নাৰীৰ অধিকাৰ, গণিকা সংসৰ্গৰ বৈধতাৰে ,ঋগ্বৈদিক যুগ আদিম প্ৰাক-বিভক্ত সমাজক পিছলৈ এৰি শ্ৰেণীবিভক্ত সমাজৰ পিনে অগ্ৰসৰ হৈছে।৫এনে সমাজত নাৰীৰ অবদমিত সত্তাৰ পূৰ্ণায়ত চিত্ৰ তিমান স্পষ্ট নহয়। পৰৱৰ্ত্তীযুগৰ উক্ত সমাজ বিকাশৰ দীৰ্ঘ সময়ে পৰিপূৰ্ণভাৱে নাৰীক নমিত কৰাৰ বা কৰোৱাৰ প্ৰচেষ্টা, প্ৰাক-ঋগ্বৈদিক যুগত আংশিক আছিল বুলি ভবাৰ থল আছে। হৰণ, ধৰ্ষণ, পণ, বেশ্যাগমন আদি নাৰী শোষণ ঋকসংহিতাত পিতৃতান্ত্ৰিকতাই নাৰী জাতিৰ বিশ্ব ঐতিহাসিক পৰাজয় সূচনা কৰাৰ প্ৰচেষ্টাত উদ্ভৱ। এইক্ষেত্ৰত লক্ষণীয় যে, ঋগ্বেদৰ অন্তত স্থান বিশেষে পুৰুষপ্ৰধান বৈদিক দেৱলোকৰ নায়ক ইন্দ্ৰই ঊষাক আক্ৰমণ আৰু বিধ্বস্ত কৰিছিল তাক পাৰিপাৰ্শ্বিক সাক্ষ্যৰ পৰা অনুমান হয়। এইক্ষেত্ৰত ঊষা হ'ল প্ৰাচীন সিন্ধুসভ্যতাৰেই মাতৃদেৱী। সেয়েহে অনুমান হয় সিন্ধু সভ্যতাৰ নগৰবোৰ যিদৰে বৈদিক মানুহৰ আক্ৰমণত বিধ্বস্ত হৈছিল সম্ভৱত সেইবাবেই পুৰুযপ্ৰধান ধৰ্মবিশ্বাসক ধূলিস্যাত কৰাৰ আয়োজন হৈছিল। বৈদিক কবিসকলৰ কল্পনাত সেয়ে ইন্দ্ৰৰ আক্ৰমণত ঊষাৰ ৰথৰ চকা চূৰ্ণ হৈছে আৰু ভীতা উষা বিপাশাৰ পাৰেৰে পলাই গৈছে।৬ (লক্ষ্যণীয় বিপাশা নৈ আৰ্যসভ্যতা পত্তনৰ কেন্দ্ৰ আছিল)

এই ক্ষেত্ৰত অৰ্থনৈতিক ভিত্তিলৈ চকু ফুৰালেই শাকম্ভৰী বা কৃষিদেৱীৰ উপস্থিতিৰে মাতৃপ্ৰধান সিন্ধুসভ্যতা আৰু পিতৃপ্ৰধান বৈদিক যুগত নাৰীৰ পূজিতাআৰু অৱদমিতা সত্তাৰ পৰিচয় পোৱা যায়। প্ৰসঙ্গক্ৰমে ড০ চট্টোপাধ্যায়ে ইতিহাস গৱেষক পণ্ডিত ৰমাপ্ৰসাদ চন্দ, থমচন আৰু উইন্টাৰনিজৰ ব্যাখ্যাৰ আলোচনা প্ৰসঙ্গত স্পষ্ট কৰি দিয়ে যে "প্ৰাচীন আৰ্যধৰ্মত মাতৃপ্ৰাধান্যৰ পৰিচয় নাই। ঋগ্বেদৰ দেৱলোক পুৰুষপ্ৰধান। কিয়নো, প্ৰাচীন বৈদিক সমাজ কৃষিভিত্তিক নাছিল, তাৰ প্ৰধান অৰ্থনৈতিক ভিত্তি পশুপালন। পশুপালন পুৰুষৰ কাম। পশুপালনমূলক সমাজ পিতৃপ্ৰধান বা পুৰুষপ্ৰধান। এই কাৰণেই বৈদিক সমাজো একান্তই পুৰুষপ্ৰধান আছিল। আৰু এই সমাজেই বৈদিক দেৱলোকত প্ৰতিবিম্বিত; স্বভাৱতে বৈদিক দেৱলোকো পুৰুষপ্ৰধান—দেৱীসকল সংখ্যাত নগণ্য, গৌণ। সেয়েহে বৈদিক আৰু প্ৰাগবৈদিক, আৰ্য আৰু আৰ্যপূৰ্ব—ধৰ্মবিশ্বাসৰ এই লৌকিক প্ৰভেদটিৰ ব্যাখ্যা কেৱলমাত্ৰ ধৰ্ম-বিশ্বাসৰ স্তৰতে বিচাৰি পোৱা নাযায়—এই প্ৰভেদৰ চূড়ান্ত কাৰণ অৰ্থনৈতিক।৭

ঋগ্বেদ পৰৱৰ্ত্তী বেদ উপনিষদ পুৰাণ মহাকাব্য আদিত নাৰীৰ অৱস্থান ঃ প্ৰাচীন সভ্যতাৰ বাহক বেদ উপনিষদ পুৰাণ আদিত নাৰী অৱস্থানৰ প্ৰকৃ চিত্ৰখন আলোচনা কৰিবলৈ যাওঁতে এই সময়ছোৱাৰ অৰ্থনৈতিক ভিত্তিলৈ চকু ফুৰালে দেখা পাওঁ ইতিহাসবিদ ড০ ৰামচৰণ শৰ্মাৰ অভিমত— In our view the earliest social division may have been in the born of male dominance caused byplough agriculture and the use of horse.In the male society further differentiation may have arisen because of difference in age and experience cupled with mental and physical qualities ৮

পুৰুষ প্ৰধান উৎপাদন ব্যৱস্থাটোৱে পশুপালন আৰু কৃষিৰ বিস্তৰ ক্ষেত্ৰ তৈয়াৰ কৰাই শিল্প বাণিজ্য আদিৰ বিস্তাৰৰ বিভিন্ন ক্ষেত্ৰত নাৰী অবদমন সামাজিক-সাংস্কৃতিক ক্ষেত্ৰলৈ প্ৰসাৰিত কৰিছে। এইখিনিতে উল্লেখযোগ্য বিশিষ্ট গৱেষক অশোক ৰুদ্ৰৰ ব্ৰাহ্মণ্যবাদৰ অভিব্যক্তিৰ লগত নাৰী বৈষম্যৰ কাৰণটোৰ সম্পূৰ্ণ মিল থকা কথাটো। নৰ-নাৰীৰ মাজৰ বৈষম্য একক নহৈ সামাজিক বৈষম্যসমূহৰ মাজৰে এটি বুলি কোৱাৰ লগতে সমাজৰ বিভিন্ন শ্ৰেণী আৰু স্তৰভেদে থকা শাসন-শোষণৰ

সম্পৰ্ক, আয়-সম্পদ আৰু সামাজিক সুখ-সুবিধাৰ বিতৰণ বৈষম্যকো তেওঁ আঙুলিয়ায়। নাৰী নিৰ্যাতনো সামাজিক নিৰ্যাতন, নিপীড়ন, দমন আৰু শোষণৰে অংশ বিশেষ বুলিও তেওঁ দোহাৰে।৯ ইতিহাস গৱেষক ৰণবীৰ চক্ৰৱৰ্ত্তীয়ে প্ৰসঙ্গক্ৰমে কয় যে, ব্ৰাহ্মণ্য ঐতিহ্যবাদী জাতি-বৰ্ণ ব্যৱস্থাৰ বিৰুদ্ধে আৰু বিশেষকৈ ব্ৰাহ্মণ্যৰ অধিপত্যৰ বিৰুদ্ধে 'বুদ্ধ'সহ একাধিক প্ৰাচীন চিন্তানায়ক আৰু ধৰ্ম প্ৰবৰ্তকে প্ৰতিবাদী আন্দোলন চলাইছিল, কিন্তু জাতিভেদ প্ৰথাৰ বিলোপ আৰু উচ্চতৰ জাতিৰ দ্বাৰা অন্ত্যজসকলৰ পীড়ন কোনোটিয়ে বন্ধ নহ'ল।১০এই কথাৰ আঁতধৰি ক'ব পাৰি, সেই সময়ত নাৰীকো অন্ত্যজাতিৰ ভিতৰতে ব্ৰাহ্মণ্য ভাৱধাৰাই থিয় কৰাইছিল। বেদ, উপনিষদ, পুৰাণ, মহাকাব্য আদি ধৰ্মগ্ৰন্থত নাৰীৰ অৱদমিত আৰু সন্মানীয় এই দুই পৰস্পৰ বিৰোধী অৱস্থানৰ চিত্ৰ অংকিত যদিও ঋকবেদৰ ঠাইবিশেষে নাৰীৰ সন্মানজনক স্থিতিৰ বাহিৰে অন্যান্য পৰৱৰ্তী গ্ৰন্থত বিৰুপ স্থিতি স্পষ্ট। ঋকবেদৰ আনুমানিক ৰচনাকাল খ্ৰীঃপূৰ্ব ১৫০০ পৰা খ্ৰীঃপূঃ ১০০০১ ভিতৰত। উপনিষদবোৰৰ আগেয়ে সংহিতা, ব্ৰাহ্মণ, আৰণ্যক ভাগ ৰচিত হৈছিল। সমগ্ৰ বৈদিক সাহিত্যৰ ৰচনাকাল সম্বন্ধে ভিনটাৰনিথচে সিদ্ধান্ত কৰিছে খৃঃপূঃ ১২০০ বা ১৫০০ৰ পৰা খৃঃপূঃ ৫০০ৰ মাজত বেদসমূহ ৰচিত। কিন্তু সম্ভৱতঃ খৃঃপূঃ ২০০০ বা ২৫০০তেই ইয়াৰ ৰচনাকাল আৰম্ভ হৈ খৃঃপূঃ ৭৫০ৰ পৰা ৫০০১মাজত শেষ হৈছিল।১১ উপনিষদবোৰৰ আনুমানিক ৰচনাকাল খৃঃপূঃ সপ্তম শতাব্দী। ৰামায়ণৰ ৰচনাকাল আৰু মহাভাৰতৰ ৰচনাকাল সম্বন্ধে মতদ্বৈধতা আছে, ধৰ্মশাস্ত্ৰ পুৰাণ আদি ৰচনাকাল তাৰ পৰৱৰ্তী সময়ৰ সংস্কৃত সাহিত্য সমূহৰ সমসাময়িক।

আদিম গোত্ৰ বা দলত কৃষিভিত্তিক সভ্যতা প্ৰতিষ্ঠিত হোৱাৰ লগে লগে নাৰীকেন্দ্ৰিক অধিকাৰ দমিতহৈ নাইকিয়া হৈ পৰিল। পিতৃ অধিকাৰ আহি পৰিল অনায়াসে। তাৰেই চিত্ৰসমূহ সেইসময়ত ৰচিত উত্তৰবৈদিক সাহিত্য, ধৰ্মীয় পৰম্পৰাত পোৱা যায়। অন্যান্য প্ৰান্তীয় ধৰ্মীয় সাহিত্যতো নাৰী- ভাৱনা আৰু ভূমিকা কন্যা, জায়া, জননী, সতীত্ব, পত্নীত্ব, মাতৃত্ব আদিত মৌলবাদী মতৰ লগত সনাতন মতৰ পাৰ্থক্য নাছিল বুলিয়েই ক'ব পাৰি। মধ্যযুগীয় এনে ধৰ্মীয় আৰু আইনী সামাজিক দাসত্ব আৰু দমনৰপৰা ভাৰতীয় নাৰীৰ মুক্তি সুদুৰ পৰাহত আছিল। সমাজে পুৰুষক স্বত্ব আৰু অধিকাৰ দিছিলকিন্তু নাৰীক ইয়াৰপৰা বঞ্চিত কৰিছিল ব্যক্তিগত আৰু সামাজিক আচৰণৰ অভিনৱ মাপকাঠি নিৰ্দ্ধাৰণেৰে।

নিম্নবৰ্গক শোষণ আৰু উৎপীড়নে দ্বিজ আৰু বিত্তবান শাসিত সমাজৰ উৎপাদন ব্যৱস্থাৰ পক্ষে এই যুগত সুবিধা আছিল। আকৌ নাৰীকো সেৱিকা আৰু ভোগ্যবস্তু কৰি পদানত ৰখাত পুৰুষ আৰু পৰিবাৰৰ পক্ষে বিশেষ সুবিধাৰ আছিল। অৱশ্যে এইক্ষেত্ৰত অন্যান্য ক্ষমতাগত, শ্ৰেণীগত, জাতিগত,সম্প্ৰদায়গত নিম্নবৰ্গ নাৰীৰ উৎপাদনী ব্যৱস্থাত সক্ৰিয় অংশগ্ৰহণে তেওঁলোককৈ কিছু স্বতন্ত্ৰতা আনিছিল।

সংস্কৃত-বৌদ্ধ - প্ৰাকৃত- আদিকৈ ভক্তি-সাহিত্য সম্বলিত ৰচনাসমূহত মধ্যযুগীয়া ধ্যান-ধাৰণাসমূহ বৰ্তি আছে। এই যুগৰ বৈশিষ্ট্যসমূহ হিন্দু, বৌদ্ধ, জৈন, ইছলাম ধৰ্মীয় ভক্তি সাহিত্যত বিয়পি আছে। খৃষ্টীয় পঞ্চম শতিকাৰপৰা একাদশ শতিকালৈ ভাৰত হ'ল হিন্দু ভাৰতবৰ্ষ। এফালে যিদৰে বৌদ্ধ, জৈন, প্ৰভাৱ সমাজৰপৰা অন্তৰ্হিত, আনফালে তেনেদৰে ইছলাম ধৰ্মী ৰাজত্বৰ সূচনাওঁ হোৱা নাই তেতিয়া তেনে ভাৰততো নাৰী ক্ষুদ্ৰ স্থানৰ আছিল। বৈষ্ণৱ সাহিত্যত প্ৰেমিকা, শাক্ত সাহিত্যত দেবীমাতৃ-শক্তি স্বৰূপা। মুছলমান শাসনকালত ইচলামী সাম্যবাদ আৰু ভাতৃত্বৰ সমাজ আদৰ্শ আছিল পুৰুষভিত্তিক। কিন্তু পৰ্দা প্ৰথা, উপপত্নী ৰখা প্ৰথা, ক্ৰীতদাসী প্ৰথা, একাধিক পত্নী গ্ৰহণ প্ৰথা, ক্ৰীতদাসী বিবাহে ধৰ্মীয় সমৰ্থন, বিৱাহ -বিচ্ছেদ আদিত পুৰুষৰ একপক্ষীয় অধিকাৰ আদিকৈ ভিন্ন নাৰী অৱদমনৰ মূল ব্যৱস্থা পূৰ্ণগতিত চলি আছিল। বৌদ্ধধৰ্মৰ দৰে ধৰ্মীয় সংস্কাৰ-সাধন আন্দোলনে ভাৰতীয় নাৰীৰ মৰ্য্যদা আংশিকভাবে উন্নত কৰিবলৈ চেষ্টা কৰিছিল।

খৃষ্টীয় স৫ম শতিকাৰপৰা সুবিশাল সংস্কৃত

সাহিত্যসমূহত নাৰী সম্বন্ধে সাহিত্যকৰ কল্পনাৰ পৰশত অভিনৱ ৰূপ লৈ পুৰাতন স্থিতিটোৱে বাহাল থাকিল। অৱশ্যে তাত মোহনীয় সংযোজন নাৰী ৰূপ- যৌৱন- প্ৰেমৰ প্ৰতীকী ৰূপ। এই সময়ৰ প্ৰখ্যাত কবি- সাহিত্যিক- নাট্যকাৰসকলৰ ভিতৰত প্ৰমুখ কালিদাসকে ধৰি বাণভট্ট শ্ৰীহৰ্ষ, মাঘ, শূদ্ৰক, ভৱভূতি আৰু কলহনৰ সৃষ্টিৰ মাজত নাৰীৰ ভিন্ন অৱস্থিতি নতুন নতুন ৰূপত প্ৰদৰ্শিত হৈ আহিছে। এই ক্ষেত্ৰত অৱমানিত নাৰীসত্বাৰ উপৰিও মানিত নাৰী সত্বাৰো পৰিস্ফুৰণ অনবদ্য সংযোজন।প্ৰেমিকা আৰু সেৱিকা এই দুটি ৰূপত ভিন্নমুখী প্ৰকাশে বৰ্ণময় কৰা এই সাহিত্যৰাজিত কিঞ্চিত দুই এটি দিশতহে স্বগৌৰৱা নাৰী।

**প্ৰাচীন কামৰূপত নাৰী ঃ** উত্তৰ বৈদিক যুগৰ ভাৰতবৰ্ষৰ সমাজব্যৱস্থাৰ প্ৰেক্ষাপটত অসমৰ সমাজ- সংস্কৃতিত স্ত্ৰী-জাতিৰ অৱস্থিতি সম্পৰ্কত ভিন ভিন পুৰাণ, পুথি-পাঁজি আদিয়ে কেনে ছবি দাঙি ধৰে তাৰ এটি আভাসহে দিয়াৰ যত্ন কৰা হৈছে।

বৰ্তমান অসম দেশ পুৰণি ভাৰতৰ পূৰভাগৰ ভিতৰত পৰে। পুৰণি নাম প্ৰাগজ্যোতিষপুৰ বুলি ৰামায়ণ, মহাভাৰত আৰু মহাপুৰাণৰ গ্ৰন্থবোৰত উল্লেখ আছে। মহাভাৰতত ই ম্লেচ্ছদেশ আৰু ইয়াৰ ৰজা ভগদত্ত(সভা, উদ্যোগ, কৰ্ণ) আন ঠাইত অসুৰ ৰজা বোলা হৈছে আৰু ইয়াৰ ৰজা নৰক আৰু মুৰু(বন, উদ্যোগ) ই কিৰাত আৰু চীন দেশৰ সীমান্ত ভূমিত আছিল। নিজৰ মাতৃৰ বাজে সকলো স্ত্ৰীলোকৰ লগত সঙ্গম কৰিব। (১/৬/১৭/৪৩,৪৪)।...বেশ্যাপৰায়ণতা কুলাচাৰীৰ পক্ষে প্ৰশস্ত(১/১৯/৬৪)। এই ক্ষেত্ৰত পূৰ্বতে দেৱীপ্ৰীতি(কামাখ্যা)ত ক্ৰোধৰক্ত নামৰ ভৈৰৱ এজনে উৰ্বশী, মেনকা, ৰম্ভা, পঞ্চচূড়া আৰু তিলোত্তমা নামৰ এই পাচজনী বেশ্যাত অনুৰক্ত হৈ মহাবিদ্যা জপ কৰি সিদ্ধি লাভ কৰিছিল বুলি জনা যায় (১/১৯/৬৯- যেনলাগে (সভা, উদ্যোগ)। ৰঘুবংশত(চতুৰ্থ সৰ্গ, ৮১/৮৪) প্ৰাগজ্যোতিষ আৰু কামৰূপ একেখন ৰাজ্যৰে বেলেগ বেলেগ নাম বুলি ধৰা হৈছে। 'মাকণ্ডেয় পুৰাণ'ত লৌহিত্যসমন্বিত প্ৰাগজ্যোতিষ বুলি উল্লেখ আছে। কিন্তু কালিকাপুৰাণৰ ৰচনাৰপৰাই পুৰণি কামৰূপৰাজ্যৰ সীমা পশ্চিমে কৰতোৱা বুলি স্বীকৃত।পিছৰ কালৰ যোগিনীতন্ত্ৰ, হৰগৌৰী সম্বাদ আদি গ্ৰন্থয়ো এই সীমাকেই মানি লৈছে।১২

প্ৰথমেই ধৰ্মক্ষেত্ৰৰ আলোচনা প্ৰসংগৰ মাজেৰে সমকালীন সমাজত নাৰীৰ স্থিতি দেৱীৰ পৰা মানবীলৈ কেনে আছিল তাক বিচৰাৰ প্ৰয়াস আগবঢ়োৱা হ'ল। বিশেষকৈ কামৰূপ নামৰ উৎপত্তিৰ লগত জড়িত কামাখ্যা দেৱীৰ পূজা এই অঞ্চলতহ'ল তাৰ বৰ্ণনা পোৱা যায়। ঐতিহাসিক দৃষ্টিৰ ফালৰ পৰাও দেখা যায় যে যদিও 'কামৰূপ' নাম অতি পুৰণি, তথাপি তন্ত্ৰ শাস্ত্ৰত যেনে কামৰূপ বুলিলে কামাখ্যা যোনিমণ্ডলৰ মাহাত্ম্যহে সোঁৱৰাই দিয়া হয়, প্ৰাচীন মহাপুৰাণবোৰত কামৰূপৰ মাহাত্ম্য কামাখ্যা পূজাৰ লগতেই সংশ্লিষ্ট নহয়। ১৩কালিকা পুৰাণ মতে দেৱীয়ে গোপনে শিৱৰ লগত কাম সম্ভোগ কৰিব আহিছিল। সেইকাৰণে নাম হ'ল কামাখ্যা।১৪যোনিতীৰ্থ হিচাপে কামাখ্যাৰ প্ৰসিদ্ধি হয় তন্ত্ৰৰ যুগত।১৫

যোগিনীতন্ত্ৰত আছে 'কামৰূপ স্বয়ং দেৱীক্ষেত্ৰত, ইয়াৰ সমান কোনো ঠাই হ'ব নোৱাৰে। অন্য দেশত দেৱীয়েই বিৰল, কিন্তু কামৰূপৰ ঘৰে ঘৰে দেৱী অৰ্থাৎ কামৰূপৰ তিৰোতা মানেই দেৱীস্বৰূপিনী।১৬ 'স্ত্ৰী ধৰ্মও ধৰ্ম বুলি মানি ল'ব লাগে (কিয়নো ইয়াত ব্ৰহ্মচৰ্য সিদ্ধ নহয়)। ইয়াৰ তিৰোতাবোৰে সদায় তামোল খায়। তেওঁলোকৰ দাঁত বগা নহয়'... 'সৌমাৰত(উজনি অঞ্চলত) মানুহবোৰ হীনাচাৰী, সৰ্ববিক্ৰয়ী (সকলোকে বেচে) আৰু সৰ্বাশী (সকলোকে খায়)। তাৰ তিৰোতাবোৰ সদায় সন্তুষ্ট আৰু ৰজা পুন্যবান'।১৭কৈৰাত ধৰ্ম প্ৰসংগৰ উপৰিও তীৰ্থাচাৰ সম্পৰ্কতো যোগিনীতন্ত্ৰত মুক্তিতীৰ্থ যজ্ঞও আছে।

সহমৰণ প্ৰথা প্ৰসংগত ইয়াত আছে - স্বামীৰ লগত বামুনীসকলে সহমৰণ কৰিব পাৰে। সেই তীৰ্থত স্বামীৰ লগতে একে চিতাতে উঠি সংস্কাৰ ল'ব পাৰে। মুক্তিতীৰ্থৰ বাজে আন ঠাইত বামুনীয়ে ফাঁচ লাগি মৰা, পানীত ডুবি মৰা, বাহী হোৱা, ক্ষয় বা কুষ্ঠ ৰোগত মৰা শৰ অনুগমন

কৰিব নোৱাৰে। বহু পুত্ৰৱতী, ৰজস্বলা, পতিতা, দণ্ডুৰী আৰু অসতী তিৰোতাৰ পক্ষে সহমৰণ নিষিদ্ধ। কিন্তু শ এদিন ৰাখি যদি অনুগমন কৰিব পাৰে, তেনেহ'লে নিষিদ্ধ নহয়।' (২/৫/৩০২-৪) স্বামীৰ বিদেশত মৰণ ঘটিলে তেওঁৰ যি বয়বস্তু ওচৰত থাকে, সেই বস্তু বুকুত লৈ অনুগমন কৰা ব্যৱস্থা ক্ষত্ৰিয় আদি তিনি বৰ্ণৰ পক্ষে আছে(২/৫/৩০৭)। শূদ্ৰ আৰু বৈশ্যৰ তিৰোতাই অত্যন্ত প্ৰেমৰ দ্বাৰা উত্তেজিত হৈ অনুগমন কৰিব পাৰে (২/৫/৩০৮)১৮। বলিবিধানৰ নিষেধাজ্ঞাৰ ক্ষেত্ৰত কালিকাপুৰাণত এনেদৰে পোৱা যায়—'সাধাৰণতঃ স্ত্ৰীজাতীয় পশুপক্ষী আৰু মাইকী মানুহক বলি দিয়া নিষেধ। বলি দিলে পূজক নৰকলৈ যাব। কিন্তু য'ত গণবলি দিয়াৰ আৱশ্যক তাত মতা-মাইকী, স্ত্ৰী-পুৰুষৰ বিচাৰ নাই।' যোগিনীতন্ত্ৰত মতা-মাইকী হালে সৈতে বলি দিয়াত কোনো দোষ নাই—মিথুনে দীয়মানে তু ন দোষো জায়তে প্ৰিয়ে (২/৭/১৬৯)১৯ এফালে শৱ-সাধন, মুণ্ড-সাধন আদিৰ ভয়াবহ প্ৰক্ৰিয়া, আনফালে কুলাচাৰী মন্ত্ৰচাৰী সকলৰ মদ, মাংস আৰু তিৰোতা আদিৰ লগত তিৰোতা আদিৰ লগত সাধন-ভজন। কুলাচাৰীসকলে মদ, মাছ, মাংস, ভূচৰ, খেচৰ, জলচৰ সকলোকে খাব। নিজৰ মাতৃৰ বাজে সকলো স্ত্ৰীলোকৰ লগত সঙ্গম কৰিব। (১/৬/১৭/৪৩,৪৪)।...বেশ্যাপৰায়ণতা কুলাচাৰীৰ পক্ষে প্ৰশস্ত(১/১৯/৬৪)। এই ক্ষেত্ৰত পূৰ্বতে দেৱীপ্ৰীতি(কামাখ্যা)ত ক্ৰোধৰক্ত নামৰ ভৈৰৱ এজনে উৰ্বশী, মেনকা, ৰম্ভা, পঞ্চচূড়া আৰু তিলোত্তমা নামৰ এই পাচজনী বেশ্যাত অনুৰক্ত হৈ মহাবিদ্যা জপ কৰি সিদ্ধি লাভ কৰিছিল বুলি জনা যায় (১/১৯/৬৯-৭০) ।২০

কামৰূপত কুমাৰী পূজা অনুষ্ঠিত কৰা সম্পৰ্কত যোগিনীতন্ত্ৰত এনেদৰে পোৱা যায়—'কুমাৰী পূজাত জাতি-ভেদ নাই। যি কোনো জাতিৰ কুমাৰীকেই পূজা কৰিব পাৰি। কোনোবাই জাতিভেদ কৰিলে নৰকত পতিত হয়। যদি ভাগ্যবশতঃ বেশ্যাৰ কুমাৰীকেই পূজা কৰিব লগা হয়, তেনেহ'লেও সাধকে অতি যত্নেৰে সৰ্বস্ব দান কৰি সোণ-ৰূপ আদিৰে আনন্দৰে পূজা কৰিব(১/১৭/৩১-৩৫)... যদি কুমাৰী পূজা কৰোতে কোনোবাই কামযুক্ত হয়, তেনেহ'লে সি বৈকুণ্ঠগামী হয়. (১/১৭/৫৪.) ২১ ।কুমাৰী পূজাত উল্লেখিত কুমাৰী অবিবাহিতা, অক্ষতযোনী নহয়। কুমাৰী কাৰো অধীন নহয়। সেই হিচাপেহে দেৱী পূজাৰ দেৱী কুমাৰী বুলি পণ্ডিতসকলে কয়।২২

খৃঃ নৱম শতাব্দীৰ বনমালদেৱৰ তামৰ ফলিত 'দলুহাঙ্গনা'ৰ উল্লেখ আছে। (কামৰূপ শাসনাৱলী—পৃঃ ৬৪)। "দুলুহ" - দ'ল, দেৱালয় । এটি অষ্ট্ৰিক শব্দ। দলুহাঙ্গনা - দেৱালয়ৰ তিৰোতা।২৩

প্ৰায়বোৰ দেৱমন্দিৰৰ লগত নাটমণ্ডিৰ এটি থাকে। তাত নট-নটিনীসকলে আৰতিৰ সময়ত নাচন-বাজন কৰে।১৩দেৱঘৰৰ এই নটিনী বা দেবদাসীৰ প্ৰতি লুভীয়া দৃষ্টি ৰজা, ডা-ডাঙৰীয়া শ্ৰেণীৰ পূৰ্বৰে পৰাআছিল। 'সেইকাৰণে 'কালিকাপুৰাণ' ৰচয়িতাই সেইবোৰৰ পৰা দ্বিজাতিৰ উৎসাৰণ কৰাই, ভৱিষ্যতেও যাতে সেইবোৰৰ মাহাত্ম্য নাথাকে, তাৰ উপায় ব্ৰহ্মাই উদ্ভাৱন কৰিলে বুলি বৰ্ণনা কৰিছে।

মায়া আৰু ইন্দ্ৰজাল বিদ্যাত বৰ পাৰ্গত আছিল বুলি কামৰূপৰ তিৰোতাবোৰৰ পৰিচিতি খৃঃ ১৫১৭-২৬ ৰ ভিতৰত কাশীৰপৰা গুৰুনানক আৰু তেওঁৰ সঙ্গীসকল কামৰূপলৈ অহাৰপৰা জানিব পাৰি।২৪

যোগিনীতন্ত্ৰত অপুনৰ্ভৱৰ(হাজো) হয়গ্ৰীৱ ক্ষেত্ৰৰ সুদীৰ্ঘ বৰ্ণনা আৰু মাহাত্ম্য প্ৰকাশ পাইছে। তাত এই অঞ্চলৰ প্ৰাচীন অসমীয়া নাৰীৰ বৰ্ণনা আছে—'তাৰ তিৰোতাবোৰ সদায় প্ৰফুল্ল। সিহঁতৰ কঁকাল সৰু, গলত হাৰৰ শোভা আৰু চকু পদুম পাতৰ দৰে আয়ত। বুকু ওখ, মুখখন যেন পূৰ্ণিমাৰ জোন। চুলিৰ খোপা থিয়, কপাল বহল, জঘনমণ্ডলত মেখলা আৰু নেৰি, চকুযুৰি কাণলৈ বৈ যোৱা...।'২৫

বৈষ্ণৱ ধৰ্মত নাৰীৰ স্থান সম্পৰ্কত উত্তৰ ভাৰতীয় পৰম্পৰাৰ পৰা অসমৰ পৰম্পৰালৈ আহি কেনে ৰূপে পালে তাৰ আলোচনা প্ৰসঙ্গত পোৱা যায়—'বাসুদেৱ পূজাৰ বৈষ্ণৱমতত পঞ্চদেৱতাৰ পূজাৰ ভিতৰত মাতৃৰ ছাঁ আছিল; এই পঞ্চদেৱতাৰ এজনা মাতৃ আছিল। বাসুদেৱৰ নায়িকাত (স্ত্ৰী- সম্পূৰক) আৰু সহচৰী যোগিনী

সকলো আছিল। কিন্তু ষোল শতিকাৰ একেশ্বৰবাদী বৈষ্ণৱ ধৰ্ম সম্পূৰ্ণৰূপে মাতৃ আৰু আন দেৱতা সকলৰ প্ৰভাৱৰ পৰা আঁতৰি আহিল। বাসুদেৱপন্থীয়ে গোপালকৃষ্ণ ৰূপে স্বীকাৰ নকৰে, পৰৱৰ্তী নৱ বৈষ্ণৱবাদীয়ে ভাগৱতৰ গোপাল কৃষ্ণক মূৰ্ত্ত কৰিছে; কিন্তু ৰাধা নাইবা আন স্ত্ৰীসম্পূৰক স্বীকাৰ কৰি লোৱা হোৱা নাই।'২৬ ..শঙ্কৰদেৱৰ একশৰণ ধৰ্মমত এই আধাৰত প্ৰতিষ্ঠিত। ... 'উত্তৰ ভাৰতৰ কোনো কোনো বৈষ্ণৱ ধৰ্মত পুৰুষ আৰু স্ত্ৰীভক্তই মুকলিভাৱে ধৰ্মালোচনাত যোগ দিয়া নিয়মটোৱে ধৰ্মৰ নানা ব্যভিচাৰ ঘটাইছে বুলি বিবেচিত হৈছে। অসম আৰু দাক্ষিণাত্যৰ বৈষ্ণৱ ধৰ্মত তিৰোতাৰ স্থান অতুলনীয়। ৰামানুজৰ বিষয়ে এইদৰে কোৱা হৈছে যে তিৰোতাই সন্ন্যাসিনী যে হ'ব নোৱাৰিছিলেই, ঘৰৰ বন-কাম এৰি ধৰ্মকাৰ্যত কেতিয়াও তেওঁলোকক মতা মানুহৰ লগত লগ লাগি দিয়া হোৱা নাছিল (ৰাজাগোপাল চাৰিয়াৰ পৃঃ ১৩৩)। একশৰণ ধৰ্মত কেৱলীয়া সন্ন্যাসী আছে, কিন্তু সন্ন্যাসিনী নাই। মতা মানুহৰ ধৰ্ম মেলত তিৰোতাক কেতিয়াও যোগ দিব দিয়া নহয়। তিৰোতাসকলে মন্দিৰৰ চোতালত ঈশ্বৰৰ নাম-কীৰ্তন বেলেগ থুপত আৰু বেলেগ সময়ত কৰে। এনেকৈয়ো কোৱা আছে যে শঙ্কৰদেৱে তিৰোতাক কেতিয়াও নাম-মন্ত্ৰ দিয়া নাছিল।২৭

শঙ্কৰদেৱে মাধৱদেৱক কৈছিল... ৰাজা, স্ত্ৰী, কৰ্মী, বামুনৰ গুৰু নহ'বা, কাৰণ ৰাজাই হাঁহ-ছাগ কাটি ৰাজনীতিত চলে, স্ত্ৰী পাপমতি, সদায় মিছা কথা কয়। মিছা ভিন্ন সঁচা নাই ২৮ । কিন্তু তেওঁৰ আকাঙ্খিত আধ্যাত্মিক জগতত সকলোৰে সমান অৱস্থান—'স্ত্ৰী-শূদ্ৰে কৰে যদি আমাত ভকতি। তাহাত কহিবা ইটো জ্ঞান মহামতি।।—শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ান (ভাগৱত)

তথাপিও মনত ৰখা দৰ্কাৰ যে বহুতো প্ৰতিষ্ঠিত সত্ৰৰ কীৰ্ত্তন ঘৰত নাৰী আৰু নীহকুলীয়া বুলি চিহ্নিত কৰা কিছুমানৰ প্ৰবেশাধিকাৰ ৰহিত আছিল।২৯বৰপেটা আৰু বৰদোৱা কীৰ্ত্তন ঘৰত আজিও নাৰীৰ প্ৰবেশ নিষিদ্ধ। সত্যেন্দ্ৰনাথ শৰ্মাই কয় যে—Liberalism which marked the initial stage of the history of Vaisnavism in Assam, was laters on replaced by conservatism so far as its attitude towards women folk was concerned.৩০

অৱশ্যে শঙ্কৰদেৱৰ ৰচনাত বিশেষকৈ ভাগৱত ভক্তিৰত্নাকৰত নাৰীক শূদ্ৰ, চণ্ডাল, বৈশ্য আদি অন্ত্যজাত, পাপজাতৰ সমশাৰীত ধৰাও হৈছে।৩১ পৰৱৰ্তী কালত সত্ৰসমূহত নাৰী ভক্তৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞাসমূহৰ ভিতৰত—নামঘৰত নামসেৱা নকৰি ৰান্ধনীঘৰৰ এচুকত পূৱ বা উত্তৰমূৱাকৈ পাতি থোৱা থাপনাৰ ওচৰত সেৱা কৰা দেখা যায়, পুৰুষৰ স'তে একেলগে বহি প্ৰসঙ্গ কৰাৰ নিয়ম নাই, খোল, নেগেৰা, দবা আদি বাদ্যযন্ত্ৰ ব্যৱহাৰ নকৰে, ঋতুমতী হোৱাৰ ছয়দিনৰ পিছতহে শুচি হয়,মণিকূটত কোনো কোনো সত্ৰত সোমাব নোৱাৰে আৰু শৰাই নসজায়, বন্তিও নজলায়, সত্ৰৰ গোসানীয়ে নামঘৰত ভাওনা চাবলৈ গ'লে আঁৰকাপোৰ তৰাৰ নিয়ম, স্বামীৰ মৃত্যু হ'লে মৃতকৰ সোঁভৰিৰ বুঢ়া আঙুলীৰে সেন্দুৰ মছাৰ নিয়ম ইত্যাদিৰ উপস্থিতি সত্ৰ সংস্কৃতিত ভৰি আছে। .৩২

প্ৰাগৈতিহাসিক যুগৰেপৰা নাৰীক দেৱীৰূপে পূজা কৰাৰ পৰিপ্ৰেক্ষিতত ক'ব পাৰি প্ৰথম পৰ্য্যায়ত দেৱী মাতৃত্বৰ প্ৰতিৰূপ, দ্বিতীয় পৰ্যায়ত প্ৰকৃতি অৰ্থাৎ উৎপাদিকা ধৰিত্ৰীৰ প্ৰতিৰূপ, পৰৱৰ্তী পৰ্য্যায়সমূহত তেওঁৰ অধিকাৰ ক্ষেত্ৰ আৰু সম্প্ৰসাৰিত

হৈছে, তেওঁ সন্তানৰ ৰক্ষাকাৰী, পশুৰ পালিকা, ৰোগ আৰু মহামাৰীৰ প্ৰতিবিধানকাৰিনী, গাওঁ, নগৰ, নদীপৰ্বত অৰণ্য সকলোৰেঅধিষ্ঠাত্ৰী কল্যানী দেৱী। নিৰ্মলপ্ৰভা বৰদলৈয়েও আৰ্য-অনাৰ্য, বহু দেৱীৰ অস্তিত্ব 'দেৱী' গ্ৰন্থত বিস্তৃতভাৱে আলোচনা কৰিছে।

**প্ৰসংগ**


১। চট্টোপাধ্যায় দেবীপ্ৰসাদ-ভাৰতীয় দৰ্শন (প্ৰথম খণ্ড), পৃঃ ৫৭, । ।, ১৯৯৪

২। পূৰ্বোক্ত

৩। ; / , , =— ১৪৭

৪। . ÷ ; , , =— ৩০৯

৫। ; / , , =—১৩৭

৬। , =— ৮০

৭।  , =— ৮৮

৮। Gupta D.N. 'edit' Changing modes of production in India ibid, P.14,New Delhi-1995

৯। রুদ্র অশোক, ব্রাহ্মণ্য ভাৱধারা ও হিন্দুমন, পৃঃ ৯৩, কলকাতা, ১৯৯৩

১০। চক্রৱর্ত্তী রণবীর, প্রাচীন ভারতের অর্থনৈতিক ইতিহাসের সন্ধানে, পৃঃ ২২৬, কলিকতা--

১১। চট্টোপাধ্যায় দেবীপ্রসাদ, পূর্বোক্ত, পৃঃ ১২৯

১২। নেওগ মহেশ্বৰ, সম্পাদক, বাণীকান্ত ৰচনাৱলী, অসমীয়া খণ্ড, 'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা শীৰ্ষক আৰ্য্যবৰ্ত্ত আৰু পুৰণি অসম বিষয়ক প্ৰৱন্ধ',পৃঃ ১৪৮, গুৱাহাটী,১৯৯১

১৩ ।পূর্বোক্ত, 'দেবীপূজাৰ চলতি' প্ৰৱন্ধ, পৃঃ ১৬১ ৩।

১৪। পূর্বোক্ত, পৃঃ ১৫৯

১৫। পূর্বোক্ত, পৃঃ ১৬

১৬। পূর্বোক্ত—'কৈৰাতধৰ্ম' প্ৰৱন্ধ—পৃঃ ১৯০

১৭। পূর্বোক্ত

১৮। পূর্বোক্ত—'তীৰ্থাচাৰ' প্ৰৱন্ধ—পৃঃ ১৯৩

১৯। পূর্বোক্ত—'বলিবিধান' প্ৰৱন্ধ—পৃঃ ১৯৫

২০ ।  —' ॥ ; ১'  — =— ১৯৯

২১। পূর্বোক্ত , 'কু্মাৰী পূজা ' প্ৰৱন্ধ ,পৃঃ ২০০

২২। পূর্বোক্ত

২৩। পূর্বোক্ত , 'দেৱঘৰৰ নটিনী' প্ৰৱন্ধ, ,পৃঃ ২০২

২৪। পূর্বোক্ত

২৫। পূর্বোক্ত—পৃঃ ২০৩

২৬। পূর্বোক্ত—'ইন্দ্ৰজাল বিদ্যা—পৃঃ ২০৫

২৭ । পূর্বোক্ত—'হয়গ্ৰীব মাহাত্ম' প্ৰৱন্ধ—পৃঃ ২১৫

২৮। পূর্বোক্ত, 'মাতৃৰ লগত বিভেদ' প্ৰৱন্ধ, পৃঃ ২১৯

২৯। পূর্বোক্ত—পৃঃ ২২৩,

৩০। নেওগ মহেশ্বৰ, সম্পাদক, বৰদোৱা গুৰুচৰিত, পৃঃ ১৬৭, গুৱাহাটী, ১৯৭৭।

৩১। ৰায়চৌধুৰী অনিল— অসমৰ সমাজ ইতিহাসত নৱবৈষ্ণৱবাদ, পৃঃ ১৫৩, গুৱাহাটী, ২০০০

৩২। গোহাই হীৰেণ, সম্পাদক, নতুন পদাতিক' অসমীয়া দুইমহীয়া আলোচনী,চেপ্তেম্বৰ-অক্টোবৰ,২০০৩ মধ্যযুগত অসমীয়া নাৰীৰ সমাজিক অৱস্থান', প্ৰৱন্ধ—শৈলেন বৰকটকী—পৃঃ ৩০, গুৱাহাটী


******

